# বঙিয়া মহাবিদ্যালয়ত এফ ডি পি কাৰ্যসূচী

'আমাৰ অসম'ৰ বঙিয়াৰ বিশেষ প্ৰতিবেদক, ৫ এপ্ৰিল ঃ কামৰূপ জিলাৰ অগ্ৰণী উচ্চ শিক্ষানুষ্ঠান বঙিয়া মহাবিদ্যালয়ে শৈক্ষিক দিশটো অধিক আগবঢ়াই নিয়াৰ অৰ্থে নন কাৰ্যসূচী হাতত লৈছে। বঙিয়া মহাবিদ্যালয়ৰ শিক্ষা বিভাগে নতুন দিল্লীস্থিত নাক 'এ' গ্ৰেডপ্ৰাপ্ত ৰামানুজন কলেজৰ সহযোগত ২৯ মাৰ্চৰ পৰা ৪ এপ্ৰিললৈ এখন অন লাইন এফ ডি পি কাৰ্যসূচী অনুষ্ঠিত কৰে। অনুষ্ঠানত ভাৰতবৰ্ষৰ বিভিন্ন মহাবিদ্যালয়ৰ সৰ্বমুঠ ১২৫ গৰাকী সহকাৰীয় সহযোগী অধ্যাপকে অংশগ্ৰহণ কৰে। উক্ত কাৰ্যসূচীত বঙিয়া মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ ব্ৰজেন্দ্ৰ শইকীয়াই সঞ্চালক আৰু শিক্ষা বিভাগৰ সহকাৰী অধ্যাপিকা ডঃ হিমাক্ষী দেৱী তথা ৰামানুজন কলেজৰ ডঃ আশিষ শুক্লাই সমন্বয়কৰ দায়িত্ব পালন কৰে।